# ASSAM LEGISLATIVE ASSEMBLY
# (WINTER SESSION, 2025)
## LIST OF BUSINESS FOR
## Friday, the 28th November, 2025

## (From 9:30 A.M. onwards)

1. **Q U E S T I O N S.**

**PRIVATE MEMBERS' BUSINESS**

2. **MEMBERS' HOUR.**

**BILLS FOR INTRODUCTION**

3. **SHRI DEBABRATA SAIKIA** (MLA & Leader of the Opposition) to move for leave to introduce "The Assured Security and Humanitarian Assurance for Gig Workers and Atypical Workers (ASHA) Bill, 2025".

   **ALSO** to introduce the Bill.

4. **SHRI DEBABRATA SAIKIA** (MLA & Leader of the Opposition) to move for leave to introduce "The Maintenance of Cleanliness in Assam Bill, 2025".

   **ALSO** to introduce the Bill.

**BILL FOR CONSIDERATION AND PASSING**

5. **SHRI ASHRAFUL HUSSAIN, MLA** to move that "The Assam University and Boards (Regular Conduct of Examinations and Timely Declaration of Results) Bill, 2025" be taken into consideration.

   **ALSO** to move that the Bill be passed.

**PRIVATE MEMBERS' RESOLUTIONS**

6. **SHRI KAMALAKHYA DEY PURKAYASTHA, MLA** to move :

   "Having regard to the facts that -

   i. Katigarg, located in Cachar district, is one of the most remote and geographically disadvantaged regions, characterised by difficult terrain and inadequate transport connectivity;
   ii. residents of Katigarg and adjoining areas face serious

**Cont..2/-**

hardship in travelling to Silchar, the district headquarters, as it is extremely difficult to go there and return on the same day for essential administrative, official or public service-related work; and

iii. the high cost of travel, combined with the economic vulnerability of a large population living below the poverty line, imposes a disproportionate burden on the people of this region, affecting their access to government services and developmental opportunities;

this House urges the Government-

a. to consider declaring Katigarg as a Co-District at the earliest; and

b. to take all necessary administrative steps to ensure improved access to public services, enhanced connectivity, and better public convenience for the people of the wider region."

7. **SHRI DEBABRATA SAIKIA, MLA** to move :

"This House urges upon the Government -

i. to accord priority to the development of allied agricultural sectors and to take effective steps to address the long-standing challenges faced by the tea industry in Assam, with a view to strengthening the State's overall economic foundation;

ii. to take all necessary measures to increase farmers' income, enhance agricultural and plantation productivity and address the persistent problems of tea garden workers including the provision of land pattas to landless tea workers; and to consider introducing a special financial package for the overall development and welfare of all tea workers of the State."

8. **SHRI JAKIR HUSSAIN SIKDAR, MLA** to move :

"This House urges upon the Government-

i. to take effective measures to address the rising prevalence of cancer in the Northeastern region, particularly in Assam, where the number of cancer patients is increasing at a concerning rate;

**Cont..3/-**

ii. to strengthen and expand advanced cancer-care facilities across the State, with special emphasis on early detection, timely diagnosis and accessible treatment including medicine supply; and

iii. to make appropriate arrangements for providing completely free treatment to cancer patients, so that families affected by this life-threatening disease are protected from severe financial distress and long-term economic hardship."

9. **ALHAJ ABDUR RASHID MANDAL, MLA** to move :

"Having regard to the facts that-

i. since 1947, Assam has repeatedly faced devastating floods, riverbank erosion, landslides, ethnic clashes and other natural and social disruptions, resulting in the displacement of lakhs of families across the State;

ii. about 1,000 villages have been completely or partially affected during these repeated events, causing countless families to become landless and economically vulnerable;

iii. while some of these landless families have been settled, allotted land, or rehabilitated by the Government from time to time, a large number of families continue to remain self-settled on Government khas land, Pasture Grazing Reserve (PGR), Village Grazing Reserve (VGR), Char areas and other vulnerable locations, many of whom have also faced evictions in recent years; and

iv. the absence of a permanent, structured, and compassionate rehabilitation framework continues to create hardship for erosion-affected and displaced legitimate citizens residing in Assam; this House urges upon the Government-

a. to formulate and implement a comprehensive policy for the permanent resettlement of landless and erosion-affected legitimate Indian citizens residing in Assam;

b. to provide such families with secure land allotment or settlement, strictly in accordance with Government rules and norms; and

c. to ensure that rehabilitation measures promote long-term stability, socio-economic development and human dignity for all affected families.

Cont..4/-

**10. SHRI ABDUL BATIN KHANDAKAR, MLA** to move :

"This House urges upon the Government to take necessary steps for the construction of RCC bridges over the River Manas and other rivers within the Abhayapuri North Legislative Assembly Constituency (renamed as Srijangram LAC after delimitation), in order to improve connectivity, ensure public safety and facilitate socio-economic development in the region."

**SPECIAL MOTION**

**11. ALHAJ ABDUR RASHID MANDAL, MLA** to move :

"This House expresses its deep concern over the increasing incidents of sexual violence against women in Assam, including a significant number of cases reported during the early months of 2025 as informed to the House, which highlight serious challenges relating to policing, investigation standards, victim support mechanisms and overall safety infrastructure and urges upon the Government-

**i.** to apprise the House of the current status of investigations in recent major cases of sexual violence reported across the State and to outline the measures undertaken to strengthen police responsiveness, forensic capacity, victim protection systems and other institutional safeguards.

**ii.** to formulate and implement a comprehensive strategic plan to address emerging threats to women's safety, including AI-driven deepfakes, cyber harassment and technology-enabled exploitation, in order to safeguard the dignity, security and rights of women in Assam."

**MOTIONS**

**12. SHRI ABDUL BATIN KHANDAKAR, MLA** to move :

"This House urges upon the Government to initiate appropriate and time-bound measures to secure a special financial package from the Central Government to undertake comprehensive and long-term interventions for river management, embankment strengthening, anti-erosion works and modern flood-control infrastructure so as to make Assam a flood-free and erosion-free State."

**13. SHRI DIGANTA BARMAN, MLA** to move :

"Keeping in view that the grant of Scheduled Tribe status to the six

**Cont..5/-**

communities of Assam namely **Tai Ahom, Moran, Matak, Koch Rajbongshi, Chutia and Tea Tribes** will help to protect the land rights of indigenous groups, ensure the demographic balance and safeguard the broader social, economic and political interests of the State, this House urges upon the Government to initiate at the earliest a structured dialogue with the Central Government so as to address the long-pending demand of inclusion of these six communities in the list of Scheduled Tribes in relation to the State of Assam."

**GOVERNMENT BUSINESS**

**BILLS FOR CONSIDERATION AND PASSING**

**14. SHRI KESHAB MAHANTA** (Minister, Revenue & Disaster Management Department etc.) to move that "The Assam Fixation of Ceiling of Land Holdings (Amendment) Act, 2025" be taken into consideration.

*(Amendments printed on separate list to be moved)*

**ALSO** to move that the Bill be passed.

**15. DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Mising Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

**ALSO** to move that the Bill be passed.

**16. DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Rabha Hasong Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

**ALSO** to move that the Bill be passed.

**17. DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Tiwa Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

**ALSO** to move that the Bill be passed.

**18. DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Deori Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

**ALSO** to move that the Bill be passed.

**Cont..6/-**

19. **DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

**ALSO** to move that the Bill be passed.

20. **DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Thengal Kachari Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

**ALSO** to move that the Bill be passed.

21. **DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Bodo Kachari Welfare Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

**ALSO** to move that the Bill be passed.

22. **DR. RANOJ PEGU** {Minister, Tribal Affairs (Plain) Department etc.} to move that "The Karbi Welfare Autonomous Council Bill, 2025" be taken into consideration.

*(Amendments printed on separate list to be moved)*

**ALSO** to move that the Bill be passed.

23. **SHRI PIJUSH HAZARIKA** (Minister, Social Justice & Empowerment Department etc.) to move that "Moran Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

*(Amendments printed on separate list to be moved)*

**ALSO** to move that the Bill be passed.

24. **SHRI PIJUSH HAZARIKA** (Minister, Social Justice & Empowerment Department etc.) to move that "Matak Autonomous Council (Amendment) Bill, 2025" be taken into consideration.

*(Amendments printed on separate list to be moved)*

**ALSO** to move that the Bill be passed.

**D. Pegu**
Secretary
Assam Legislative Assembly.

DISPUR :
Dated the 27th November, 2025

অসম বিধান সভা

(শীতকালীন অধিবেশন, ২০২৫ চন)

শুক্ৰবাৰ, ২৮ নৱেম্বৰ, ২০২৫ চনৰ কাৰ্য্যতালিকা

(পুৱা ৯-৩০ বজাৰ পৰা )

১। প্ৰশ্ন সমূহ।

বেচৰকাৰী সদস্যৰ কাৰ্যসূচী

২। সদস্যৰ সময়।

উত্থাপন কৰিবলগীয়া বিধেয়ক সমূহ

৩। শ্ৰী দেৱব্ৰত শইকীয়া (বিধায়ক, আৰু বিৰোধী দলপতি) য়ে "দি এছিউৰদ চিকিউৰিটি এণ্ড হিউমেনেটেৰিয়ান এছিউৰেন্স ফ'ৰ গিগ ওৱাৰ্কাৰ্চ এণ্ড এটিপিকেল ওৱাৰ্কাৰ্চ (আশা) বিল, ২০২৫" খন উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব।

লগতে বিধেয়কখন উত্থাপন কৰিব।

৪। শ্ৰী দেৱব্ৰত শইকীয়া (বিধায়ক, আৰু বিৰোধী দলপতি) য়ে "দি মেইনটেনেন্স অফ ক্লিনলীনেছ ইন আসাম বিল, ২০২৫" খন উত্থাপন কৰিবলৈ অনুমতি বিচাৰিব।

লগতে বিধেয়কখন উত্থাপন কৰিব।

বিবেচনা আৰু পাৰিত কৰিবলগীয়া বিধেয়ক সমূহ

৫। শ্ৰী আশ্ৰাফুল হুছেইন, (বিধায়ক) য়ে "দি আসাম ইউনিভাৰ্চিটি এণ্ড ব'ৰ্ডছ (ৰেগুলাৰ কনডাক্ট অফ্ এক্সামিনেশ্যনছ্ এণ্ড টাইমলি ডিক্লেৰেশ্যন্ অফ্ ৰিজাল্ট্) বিল, ২০২৫" খন বিবেচনা কৰিবলৈ প্ৰস্তাৱ বিচাৰিব।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

## বেচৰকাৰী সদস্যৰ সংকল্প প্ৰস্তাৱ

৬। **শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"এই তথ্যসমূহ বিবেচনা কৰি-

(i) কাছাৰ জিলাত অৱস্থিত কাটিগড়া অঞ্চলটো অত্যন্ত দুৰ্গম আৰু ভৌগোলিকভাৱে পিছপৰা অঞ্চলসমূহৰ ভিতৰত অন্যতম, যি অত্যন্ত দুৰ্গম এলেকা আৰু শোচনীয় পৰিবহণ ব্যৱস্থাৰ বাবে জনাজাত,

(ii) কাটিগড়া আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ বাসিন্দাসকলে জিলা সদৰ শিলচৰলৈ যাত্ৰা কৰোতে গুৰুতৰ অসুবিধাৰ সন্মুখীন হয়, কিয়নো অত্যাৱশ্যকীয় প্ৰশাসনিক, চৰকাৰী বা ৰাজহুৱা সেৱা সম্পৰ্কীয় কামৰ বাবে একেদিনাই গৈ ঘূৰি অহা অত্যন্ত কঠিন, আৰু

(iii) যাত্ৰাৰ উচ্চ ব্যয়, লগতে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা বৃহৎ সংখ্যক লোকৰ অৰ্থনৈতিক দুৰ্বলতাই এই অঞ্চলৰ লোকসকলৰ ওপৰত এক অসন্তুলিত বোজা জাপি দিছে, যাৰ ফলত চৰকাৰী সেৱা আৰু উন্নয়নমূলক সুযোগ লাভ কৰাত তেওঁলোক অসমৰ্থ হৈছে, সেয়েহে-

ক) অতি শীঘ্ৰে কাটিগড়াক এক সম জিলা হিচাপে ঘোষণা কৰাৰ বাবে বিবেচনা কৰিবলৈ আৰু

খ) বিস্তৃত অঞ্চলটোৰ জনগণৰ বাবে ৰাজহুৱা সেৱাৰ উন্নয়ন, সম্প্ৰসাৰিত যোগাযোগ ব্যৱস্থা আৰু উন্নত ৰাজহুৱা সুবিধা নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় প্ৰশাসনিক পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।"

৭। **শ্ৰী দেবব্ৰত শইকীয়া (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"এই সদনে-

(i) আনুষংগিক কৃষি খণ্ড সমূহৰ উন্নয়নক অগ্ৰাধিকাৰ দিবলৈ আৰু ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে অসমৰ চাহ উদ্যোগ সমূহে সন্মুখীন হোৱা দীৰ্ঘদিনীয়া প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ,

(ii) কৃষকৰ আয় বৃদ্ধি কৰিবলৈ, কৃষি আৰু বাগিচাৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ আৰু ভূমিহীন চাহ শ্ৰমিকৰ ভূমি পট্টা প্ৰদান কৰাকে ধৰি চাহ বাগিচাৰ শ্ৰমিকসকলৰ নিৰন্তৰ সমস্যা সমূহ সমাধানৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ; আৰু ৰাজ্যখনৰ সকলো চাহ শ্ৰমিকৰ সমগ্ৰিক উন্নয়ন আৰু কল্যাণৰ বাবে এক বিশেষ বিত্তীয় পুঁজি আৰম্ভ কৰাৰ কথা বিবেচনা কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।"

৮। **শ্ৰী জাকিৰ হুছেইন সিকদাৰ (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"এই সদনে-

(i) উত্তৰ-পূব অঞ্চলত বিশেষকৈ অসমত কৰ্কট ৰোগৰ বৰ্দ্ধিত প্ৰাদুৰ্ভাৱৰ লগত মোকাবিলা কৰিবৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ, য'ত কৰ্কট ৰোগীৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে;

(ii) ৰাজ্যজুৰি কৰ্কট ৰোগৰ উন্নত সেৱা শক্তিশালী আৰু সম্প্ৰসাৰিত কৰাৰ লগতে আগতীয়া চিনাক্তকৰণ, সময়মতে ৰোগ নিৰ্ণয় আৰু ঔষধ যোগানকে ধৰি সুলভ চিকিৎসাৰ ওপৰত বিশেষ গুৰুত্ব দিবলৈ আৰু

(iii) কৰ্কট ৰোগীসকলক সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ বাবে উপযুক্ত ব্যৱস্থা কৰিবলৈ, যাতে জীৱনলৈ ভাবুকি কঢ়িয়াই অনা এই মাৰাত্মক ৰোগৰ দ্বাৰা আক্ৰান্ত পৰিয়ালসমূহ গুৰুতৰ বিত্তীয় সংকট আৰু দীৰ্ঘম্যাদী অৰ্থনৈতিক দুৰৱস্থাৰ পৰা সুৰক্ষিত হয়, তাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।"

৯। **আলহাজ আব্দুৰ ৰশিদ মণ্ডল (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"এই কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি-

(i) ১৯৪৭ চনৰ পৰা অসমে বাৰে বাৰে বিধ্বংসী বানপানী, নদীৰ গৰাখহনীয়া, ভূমিস্খলন, জাতিগত সংঘৰ্ষ আৰু অন্যান্য প্ৰাকৃতিক আৰু সামাজিক বিঘিনিৰ সন্মুখীন হৈছে, যাৰ ফলত ৰাজ্যখনত লাখ লাখ পৰিয়াল গৃহহাৰা হৈছে;

(ii) এই ঘটনাসমূহৰ পুনৰাবৃত্তি হৈ থকা বাবে প্ৰায় ১,০০০ খন গাঁও সম্পূৰ্ণ বা আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে, যাৰ ফলত অগণন পৰিয়াল ভূমিহীন আৰু অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰিছে;

(iii) যদিও এই ভূমিহীন পৰিয়ালবোৰৰ কিছুমানক সময়ে সময়ে চৰকাৰে সংস্থাপন দিছে, মাটি আৱণ্টন দিছে বা পুনৰ সংস্থাপন দিছে, তথাপিও বৃহৎ সংখ্যক পৰিয়ালে চৰকাৰী খাচ ভূমি, পথাৰৰ চৰণীয়া সংৰক্ষিত এলেকা (PGR), গাঁৱৰ চৰণীয়া সংৰক্ষিত এলেকা (VGR), চৰ এলেকা আৰু অন্যান্য স্পৰ্শকাতৰ স্থানত নিজেই সংস্থাপন লৈ আছে, যাৰ বহু সংখ্যকে শেহতীয়া বছৰবোৰত উচ্ছেদৰো সন্মুখীন হৈছে; আৰু

(iv) এটা স্থায়ী, সুসংগঠিত আৰু সহানুভূতিসূচক পুনৰ সংস্থাপনৰ কাঠামোৰ অভাৱে খহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত আৰু গৃহহাৰা হোৱা অসমত বসবাস কৰা বৈধ নাগৰিকসকলৰ বাবে দুখ-কষ্টৰ সৃষ্টি কৰি আছে; সেয়েহে;

(ক) অসমত বসবাস কৰা ভূমিহীন আৰু খহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত বৈধ ভাৰতীয় নাগৰিকসকলৰ স্থায়ী পুনৰ সংস্থাপনৰ বাবে এখন বিশদ সুনিৰ্দিষ্ট নীতি প্ৰস্তুত আৰু কাৰ্যকৰী কৰিবলৈ;

(খ) চৰকাৰী নিয়ম আৰু নীতি অনুসৰি এনে পৰিয়ালবোৰক সুৰক্ষিত মাটি আবণ্টন বা সংস্থাপন দিবলৈ; আৰু

(গ) পুনৰ সংস্থাপনৰ ব্যৱস্থাৰ জৰিয়তে ক্ষতিগ্ৰস্ত সকলৰ পৰিয়ালৰ বাবে দীৰ্ঘম্যাদী স্থিৰতা, সামাজিক-অৰ্থনৈতিক উন্নয়ন আৰু মানৱীয় মৰ্যাদা নিশ্চিত কৰিবলৈ এই সদনে চৰকাৰক আহ্বান জনাইছে।"

১০। **শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"এই সদনে চৰকাৰক আহ্বান জনাইছে যে অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিৰ (সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত শ্ৰীজনগ্ৰাম বিধানসভা সমষ্টি হিচাপে নামাকৰণ কৰা হৈছে) অন্তৰ্গত মানস নদী আৰু অন্যান্য নদীসমূহৰ ওপৰত আৰ চি চি দলং নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ, যাতে এই অঞ্চলটোত যোগাযোগ ব্যৱস্থা উন্নত হয়, ৰাজহুৱা নিৰাপত্তা সুনিশ্চিত হয় আৰু সামাজিক-অৰ্থনৈতিক উন্নয়নত সহায়ক হয়।"

## বিশেষ প্ৰস্তাৱ

১১। **আলহাজ আব্দুৰ ৰছিদ মণ্ডল, (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"এই সদনে-

অসমত মহিলাৰ বিৰুদ্ধে যৌন হিংসাৰ বৰ্ধিত ঘটনাবোৰত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে, যাৰ ভিতৰত ২০২৫ চনৰ আৰম্ভণিৰ কেইমাহ মানৰ ভিতৰত সদনক জনোৱা অনুসৰি যথেষ্ট সংখ্যক গোচৰ পোহৰলৈ আহিছে, যিয়ে আৰক্ষী ব্যৱস্থা, তদন্তৰ মানদণ্ড, ভুক্তভোগীক সহায় প্ৰদান ব্যৱস্থা আৰু সামগ্ৰিক নিৰাপত্তা আন্তঃগাঁথনিৰ সৈতে জড়িত গুৰুতৰ প্ৰত্যাহ্বানবোৰ দাঙি ধৰিছে আৰু-

(i) ৰাজ্যখনত পোহৰলৈ অহা শেহতীয়া গুৰুতৰ যৌন হিংসাৰ গোচৰ বোৰৰ তদন্তৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত সদনক অৱগত কৰিবলৈ আৰু আৰক্ষীৰ সঁহাৰি, ফৰেনছিক ক্ষমতা, ভুক্তভোগীৰ সুৰক্ষা ব্যৱস্থা আৰু অন্যান্য আনুষ্ঠানিক সুৰক্ষা ব্যৱস্থাক শক্তিশালী কৰিবলৈ লোৱা ব্যৱস্থা সমূহৰ ৰূপৰেখা দাঙি ধৰিবলৈ;

(ii) অসমত মহিলাৰ মৰ্যাদা, নিৰাপত্তা আৰু অধিকাৰ সুৰক্ষিত কৰাৰ বাবে AI চালিত ডিপফেক, চাইবাৰ হাৰাশাস্তি আৰু প্ৰযুক্তিগত শোষণকে ধৰি মহিলাৰ নিৰাপত্তাৰ প্ৰতি উদ্ভৱ হোৱা ভাবুকিবোৰ মোকাবিলা কৰিবলৈ এটা সুনিৰ্দিষ্ট কৌশলগত পৰিকল্পনা প্ৰস্তুত আৰু কাৰ্যকৰী কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।"

**প্ৰস্তাৱ**

**১২। শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"এই সদনে অসমক বানপানী আৰু গৰাখহনীয়া মুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে নদী নিয়ন্ত্ৰণ, মথাউৰি শক্তিশালীকৰণ, গৰাখহনীয়া বিৰোধী কাম আৰু বান নিয়ন্ত্ৰণৰ আধুনিক আন্তঃগাঁথনিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা এক বিশেষ বিত্তীয় পুঁজি আদায় কৰিবলৈ উপযুক্ত আৰু সময়োচিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে চৰকাৰক আহ্বান জনাইছে।"

**১৩। শ্ৰী দিগন্ত বৰ্মন, (বিধায়ক) য়ে উত্থাপন কৰিব ঃ**

"অসমৰ ছয়টা জনগোষ্ঠী, ক্ৰমে টাই আহোম, মৰাণ, মটক, কোচ ৰাজবংশী, চুতীয়া আৰু চাহ জনগোষ্ঠীক অনুসূচীত জাতিৰ মৰ্যাদা প্ৰদানে খিলঞ্জীয়া গোটসমূহৰ ভূমি অধিকাৰ সুৰক্ষিতকৰণ, জনগাঁথনিৰ ভাৰসাম্য নিশ্চিতকৰণ আৰু ৰাজ্যখনৰ ব্যাপক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাৰ্থ সুৰক্ষিত কৰণত সহায়ক হ'ব বুলি লক্ষ্য ৰাখি এই সদনে চৰকাৰক এই ছয়টা জনগোষ্ঠীক অসম ৰাজ্যৰ সন্দৰ্ভত অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ দীৰ্ঘদিনীয়া দাবীটো সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে অতি সোনকালে এক সু সংগঠিত আলোচনাৰ আৰম্ভণি কৰিবলৈ আহ্বান জনাইছে।"

**চৰকাৰী কাৰ্য্যসূচী**

**বিবেচনা আৰু পাৰিত কৰিবলগীয়া বিধেয়ক সমূহ**

**১৪। শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগ ইত্যাদি) য়ে "দি আসাম ফিক্সেছন অব চিলিং অৱ লেণ্ড হ'ল্ডিংছ (এমেণ্ডমেণ্ট) আইন, ২০২৫"** খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

(পৃথক তালিকাত ছপা কৰা সংশোধনী সমূহ উত্থাপন কৰিব )

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

**১৫ । ডাঃ ৰণোজ পেগু {মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি} য়ে "দি মিছিং অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"** খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

১৬ । ডাঃ ৰণোজ পেগু {মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি} য়ে "দি ৰাভা হাছং অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

১৭ । ডাঃ ৰণোজ পেগু {মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি} য়ে "দি তিৱা অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

১৮ । ডাঃ ৰণোজ পেগু {মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি} য়ে "দি দেউৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

১৯ । ডাঃ ৰণোজ পেগু {মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি} য়ে "দি সোনোৱাল কছাৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

২০ । ডাঃ ৰণোজ পেগু {মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি} য়ে "দি ঠেঙাল কছাৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

২১ । ডাঃ ৰণোজ পেগু {মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি} য়ে "দি বড়ো কছাৰী ৱেলফেয়াৰ অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

লগতে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

২২। **ডাঃ ৰণোজ পেগু (মন্ত্ৰী, জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগ ইত্যাদি)** য়ে **"দি কাৰ্বি ৱেলফেয়াৰ অট'নমাছ কাউন্সিল বিল, ২০২৫"** খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

(পৃথক তালিকাত ছপা কৰা সংশোধনী সমূহ উত্থাপন কৰিব )

**লগতে** বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

২৩। **শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ ইত্যাদি)** য়ে **"দি মৰাণ অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"** খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

(পৃথক তালিকাত ছপা কৰা সংশোধনী সমূহ উত্থাপন কৰিব )

**লগতে** বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

২৪। **শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ ইত্যাদি)** য়ে **"দি মটক অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"** খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব ।

(পৃথক তালিকাত ছপা কৰা সংশোধনী সমূহ উত্থাপন কৰিব )

**লগতে** বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিব।

**দুলাল পেগু**
সচিব
অসম বিধান সভা

দিশপুৰ,
তাৰিখঃ ২৭ নৱেম্বৰ, ২০২৫

..........................

# आसाम आयेन आफाद
## (गोजां बोथोरनि जथुम, 2025)
## सुक्रबारनि हाबाफारि फारिलाइ
## 28 नबेम्बर, 2025

## (फुंनि 9.30 रिंगानिफ्राय)

1. **सोंथिफोर।**

**गावारि सोद्रोमाफोरनि हाबाफारि**

2. **सोद्रोमाफोरनि सम**

**बिखान्थिफोर दैखांनाय**

3. **मुस्रि देवव्रत शइकीया** (सोद्रोमा आरो बेरेखा हान्जानि दैदेनगिरि) या **"The Assured Security and Humanitarian Assurance for Gig Workers and Atypical Workers (ASHA) Bill, 2025"** खौ गनायथिनि थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ दैखांनो)

4. **मुस्रि देवव्रत शइकीया** (सोद्रोमा आरो बेरेखा हान्जानि दैदेनगिरि) या **"The Maintenance of Cleanliness in Assam Bill, 2025"** खौ गनायथिनि थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ दैखांनो)

**बिखान्थि नायबिजिनाय आरो गनायथिनाय**

5. **मुस्रि आस्राफुल हुसेइन** (सोद्रोमा) आ **"The Assam University and Boards (Regular Conduct of Examinations and Timely Declaration of Results) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

**गावारि सोद्रोमाफोरनि थाखि**

6. **मुस्रि कमलाक्ष दे पुरकायस्थ, सोद्रोमाया,** दैखांगोनदि:

''बे बाय्राफोरनि फारसे नोजोर होनानै -

(i) काचार जिलानि काटिगरा जाबाय मोनसे जोबोर गोथौ आरो बुहुमखौ राडारि जोबोर दावगायै हालाम, बेयो गोब्राब आरो हान्थामेला गैयै आयगा;

(ii) काटिगरानि थागिरिफोरा आरो बेनि खाथि खालानि सुबुंफोरा चिलचरसिम थांलाय फैलाय खालामनो थाखाय जोबोर जेंनाजों मोगा-मोगि जानाडो, जिला सदराव, गोनांथार मावख'वारि खामानि एबा राइजोनि सोमोन्दो गोनां हाबाफोरनि थाखाय सानसेयाव थांना फैफिननाया गोरलै नङा; आरो

उननि बिलाइ...2

**(iii)** दावबायनायनि खरसा जोबोर बांसिन, गोबां सुबुङानो निखावरि सिमा हांखोनि सिङाव लोरबां रांखान्थि थासारिजों राइजो जानाय, बे हालामाव राइजो जानाय सुबुंनि सायाव गोनांथि गैयै नारसिननाय, बिसोरनि सरखारि सिबिथाइ आरो जौगाखां खाबु मोननायाव गोहोम गोलैदों;

बे जथुमा सरखारखौ खावलायो दि -

**(क)** काटिगरगखौ समान जिला महरै गोख्रैनो फोसाबनायनि राहा लानाय; आरो

**(ख)** गिदिरथार हालामनि सुबुंफोरनि साबसिन राहानि थाखाय, सुबुं सिबिथाइ जौगाहोनाय, फोनांजाब राहाखौ जौगाहोनायनि थाखाय नांगौबादि गासै खुंथाइयारि राहाफारि आजावनाय।''

7. **मुस्रि देवब्रत शइकीया, सोद्रोमाया** दैखांगोनदि:

''बे जथुमा सरखारखौ खावलायो दि -

**(i)** आबादजों सोमोन्दो थानाय खोन्दोखौ जौगाखांनायनि थाखाय होग्रोथाइ होनाय आरो आसामनि साहा दारिमिना गोबाव समनि जेंनाफोरजों मोगा-मोगि जानो थाखाय गोहोम गोनां राहा लानाय, राज्योनि साम्लोबसार रांखान्थियारि बिथाखौ गोख्रों खालामनायनि थांखिजों;

**(ii)** आबादारिनि आय बांहोनाय, आबाद आरो बागाननि दिहुनथाइ बांहोनाय आरो हा गैजायै साहा मावदांसानो हा पात्ता होनायखौ लानानै साहा बागाननि मावदांसानि अरायथा जेंना फोजोबनायनि थाखाय गासै गोनांथि राहा लानाय; आरो राज्योनि गासै साहा मावदांसानि साम्लोबसार जौगानाय आरो अनसायनि थाखाय जुनिया राङारि अनसुंथाइ होनायनि बाथ्रा नायबिजिरनाय।''

8. **मुस्रि जाकिर हुसेइन सिकदार, सोद्रोमाया** दैखांगोनदि:

''बे जथुमा सरकारखौ खावलायो दि-

**(i)** सा-सानजा हालामाव, जुनियायै आसामाव, जेराव केनचार बेरामिनि बिबाङा गिख्रंथावै बारायदों, बिदि बिथिङाव केनचार बेरामनि बांलांनायखौ होबथानो थाखाय गोनांथिबादियै राहा लानाय;

**(ii)** मुलि जगायनायखौ लानानै सिगांग्रो हमदांनो हानाय, समबादियै निदान आरो खम बेसेनाव फाहामथाइ होनायनि सायाव जुनिया गोनांथि होनानै गासै राज्योआवनो जौगाखां केनचार फाहामथाइनि खाबुफोरखौ गोख्रों आरो बांहोनाय; आरो

**(iii)** केनचार बेरामिनो आबुङै बेसेननाङै फाहामथाइ होनायनि नांगौबादि राहा लानाय, जाहाथे गासै जिउ बे बेरामजों जुजिनांनाय न'खरा गोब्राव रांखान्थियारि जेंना आरो गोलाव सम रांखान्थियारि जेंनानिफ्राय रैखाथि मोनो।''

9. **आलहाज आब्दुर रसिद मन्दल, सोद्रोमाया** दैखांगोनदि:

''बे बाथ्राफोरनि फारसे नोजोर होनानै -

**(i)** 1947 मायथाइनिफ्राय आसामाव खनले खनले गिख्रंथाव दैबाना, दैमानि हा खुरखानाय, हा गुगानाय, हारियारि दाङाबाथि आरो गुबुन गुबुन मिथिंगायारि आरो समाजारि जेंना सोमजिदों, जायनि थाखाय गासै राज्योआवनो लाख लाख न'खरा थावनि सोलायनांदों;

**(ii)** बे खनले खनले जानाय जाथाइनि समाव मोन 1000 फ्राम गामिया आबुङै एबा खावसे बाहागो खहा जादों, जायनि थाखाय सानग्रहायि न'खर हा गैजायै आरो रांखान्थियारि लोबाँ जालांदों;

*उननि बिलाइ...3*

**(iii)** बे हा गैजायै न'खरफोरनि खायफाखौ सरखारा सम सम थाथिलि गायसननाय, हा होनाय एबा फिन फसंफिननाय राहा लानाय समावनो गोबां बिबांनि न'खर सरखारि खास हा, गोलैसोनाय बेंथेजानाय हाग्रा ओनसोल (पिजिआर), गामिनि गोलैसोनाय बेंथेजानाय हाग्रा (भिजिआर), चर ओनसोल आरो गुबुन गुबुन गोलैसोनाय थावनियाव गावबा गावनो न' गायसनजानाय जागासिनो दं, जायफोर गोबाङानो बावैसो बोसोरफोराव होखांजानाय जागासिनो; आरो

**(iv)** अरायथा, दाथाइयारि, आरो फिन गायसनफिननाय दाथाइ गैयैया आसामाव थानाय हा खुरखानायजों गोहोम गोलैनाय आरो थावनि सोलायनांनाय हायुंसाफोरनि थाखाय जेंना सोमजिदों; बे जथुमा सरखारखौ खावलायो दि -

**(क)** आसामाव थानाय हा गैजायै आरो हा खुरखानायजों गोहोम गोलैनाय भारतारि हायुंसानि अरायथा फिन गायसनफिननायनि थाखाय मोनसे गुवार खान्थि आजावनाय आरो मावफुंनाय;

**(ख)** सरखारि नेमखान्थि आरो बिखान्थि बादियै गोख्रोडै बिदि न'खरफोरखौ रैखाथि हा होनाय एबा थाग्रा थिलिनि राहा खालामनाय; आरो

**(ग)** फिन गायसनफिननाय राहाया जाहाथे गासै खहाजों मोगा-मोगि जानाय न'खरनि थाखाय गोलाव समनि थाखाय थाथाइ, रांखान्थि-समाजारि जौगाखां, आरो सुबुंथिनि मानखौ फेहेरो बेखौ रोखा खालामनाय।''

**10. मुस्रि आब्दुल बाटिन खन्दकार, सोद्रोमाया** दैखांगोनदि:

''बे जथुमा सरखारखौ खावलायोदि सा अभयापुरि आयेन आफाद बियाबनि सिङाव मानास दैमा आरो गुबुन गुबुन दैमानि सायाव आरचिचि दालां लुनायनि थाखाय राहा लानांगौ (सिमा थि खालामनायनि उनाव सृजनग्राम आयेन आफाद बियाब मुंजों सोलायनाय जादों), जाहाथे फोनांजाब राहाया जौगायो, सुबुंनि रैखाथि रोखा जायो आरो ओनसोलनि रांखान्थियारि-समाजारि जौगानायनि खावु मोनो।''

## जुनिया थांखि

**11. आलहाज आब्दुर रसिद मन्दल, सोद्रोमाया** दैखांगोनदि:

''बे जथुमा आसामआव आइजोफोरनि सायाव आथोनारि हिंसानि बांबोनाय जाथाइफोरनि सायाव गोथौ दुखु फोरमायदों, जेराव 2025 मायथाइनि गिबि दानाव गोबां केसफोर मोननाय जादों, जेराव पुलिसनि नायबिजिरनाय मानथाखो, बोलि जानांनायफोरनो हेफाजाब होनाय आरो गासै रैखाथि दाथाइजों सोमोन्दो गोनां गोब्राब जेंनाफोरखौ नोजोर होनानै सरखारखौ खावलायो दि-

**(i)** हादोरसायावनो आथोनारि हिंसानि गाहाइ रिपर्ट मोननाय जाथाइफोरनि सायाव नायबिजिरनायनि दानि थासारिनि सोमोन्दै जथुमनो मिथिहोनाय, आरो पुलिसनि बिफावलानाय, फरेन्सिक गोहो, भुगिनांनायनि रैखाथि राहा आरो गुबुन फसंथानारि रैखाथि राहाफोरखौ गोख्रों खालामनो थाखाय लानाय राहाफोरखौ फोरमायनाय

**(ii)** आसामाव आइजोफोरनि मान-सन्मान, रैखाथि आरो मोनथाइखौ रैखाथि होनो थाखाय नंखायै AI-जों सालायजानाय, साइबार गाम्लोबनाय आरो बिरोंदामिनजों सोमोन्दो गोनां सोबख'नायजों लोगोसे आइजोफोरनि रैखाथिनि थाखाय सोमजिनाय खैफोदफोरखौ सुफुंनो थाखाय मोनसे आबुं मावखान्थियारि बिथांखि थियारि खालामनाय आरो मावफुंनाय।''

*उननि बिलाइ...4*

**थांखिफोर**

12. **आब्दुल बटिन खन्दकार, सोद्रोमाया** दैखांगोनदि:

"बे जथुमा सरखारखौ खावलायो दि, मिरु सरखारनिफ्राय मोनसे जरखा राङारि पेकेज मोननो थाखाय नांगौबादि आरो थि समाव राहा लानाय, जायनि थांखिया दैमा सामलायनाय, बान्दोफोरखौ गोख्रों खालामनाय, हा खुरखानाय होबथानाय खामानिफोर आरो गोदान मुगानि दै बाना होबथानाय दाथाइफोरखौ मावफुंनो थाखाय आसामखौ दै बानानिफ्राय उदां आरो खुरखानायनिफ्राय उदां राज्योआव सोलायनो थाखाय गुवार आरो गोलाव समनि राहा लानाय।''

13. **मुस्रि दिगन्त बर्मन, सोद्रोमाया** दैखांगोनदि:

"मोन द' हारिफोरनो जनजाति थामान होनायखौ नोजोर होनानै आसामनि सुबुंफोर - गुबैयै **ताइ अहम, मरान, मटक, कच राजबंशी, चुटिया आरो साहा बागाननि** हारिसाफोरनि थाखाय थागिबि हारिफोरनि हानि मोन्थाइखौ रैखाथि होनाय, सुबुं सानखोआरि समानथि लाखिनाय आरो हादोरसानि गुवार समाजारि, रांखान्थियारि आरो राजखान्थियारि मुलाम्फाफोरखौ रैखाथि होनानै बे जथुमा सरखारखौ गोबाव समनिफ्रायनो सोलिबोनाय दाबिफोरखौ सुफुंनो थाखाय मिरु सरखारजों थाबैनो सावरायनायखौ जागायो जाहाथे आसाम हादोरसानि थाखाय फारिलाइ थिसनजानाय जनजाति हारिनि फारिलाइयाव बे मोनद' हारिफोरखौ सोफादेरनो हायो।"

**सरखारि हाबाफारि**

**बिखान्थिफोर नायबिजिनाय आरो गनायथिनाय**

14. **मुस्रि केशब महन्त** (मन्त्रि, खाजोना आरो खैफोद सामलाय बिफान बायदि बायदि) आ **"The Assam Fixation of Ceiling of Land Holdings (Amendment) Act, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

*(आलादा साफायखानाय सोदांनाय फारिलाइखौ दैखांगोन)*

(लोगोसे बिखान्थिखौ गनायथिनो)

15. **डा: रन'ज पेगु** (मन्त्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Mising Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

16. **डा: रन'ज पेगु** (मन्त्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Rabha Hasong Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

17. **डा: रन'ज पेगु** (मन्त्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Tiwa Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

*उननि बिलाइ...5*

18.**डा: रन'ज पेगु** (मन्थ्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Deori Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

19.**डा: रन'ज पेगु** (मन्थ्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Sonowal Kachari Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

20.**डा: रन'ज पेगु** (मन्थ्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Thengal Kachari Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

21.**डा: रन'ज पेगु** (मन्थ्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Bodo Kachari Welfare Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

(लोगोसे बिखान्थिखौ गनायथिनो)

22.**डा: रन'ज पेगु** (मन्थ्रि, थागिबि हारि (हायेन) बिफान बायदि बायदि) आ **"The Karbi Welfare Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

*(आलादा साफायखानाय सोदांनाय फारिलाइखौ दैखांगोन)*

(लोगोसे बिखान्थिखौ गनायथिनो)

23.**मुख्रि पिजुष हाजरिका** (मन्थ्रि, समाजारि न्याय आरो गोहो होनाय बायदि बायदि) या **"Moran Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

*(आलादा साफायखानाय सोदांनाय फारिलाइखौ दैखांगोन)*

(लोगोसे बिखान्थिखौ गनायथिनो)

24.**मुख्रि पिजुष हाजरिका** (मन्थ्रि, समाजारि न्याय आरो गोहो होनाय बिफान बायदि बायदि) या **"Matak Autonomous Council (Amendment) Bill, 2025"** खौ नायबिजिरनो थाखाय दैखांगोन।

*(आलादा साफायखानाय सोदांनाय फारिलाइखौ दैखांगोन)*

(लोगोसे बिखान्थिखौ गनायथिनो)

**दि. पेगु**
नेहाथारि
आसाम आयेन आफाद

दिसपुर:
खालार 27 नबेम्बर, 2025